
NEWZ NOW

সংখ্যা ৬ | শুকুৰবাৰ, ৩০ অক্টোবৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

দেশ

সম্পৰ্ক বিচ্ছেদ হ'লেই সন্মতিত গঢ়ি উঠা পূৰ্বৰ শাৰীৰিক সম্পৰ্কক ধৰ্ষণ বুলিব নোৱাৰি: উচ্চতম ন্যায়ালয়

উচ্চতম ন্যায়ালয়ে পৰ্যবেক্ষণ কৰিছে যে পাৰস্পৰিক সন্মতিত গঢ়ি উঠা সম্পৰ্ক ভাঙি যোৱাৰ পিছত পূৰ্বৰ শাৰীৰিক সম্পৰ্কক কেৱল সেই কাৰণতে ধৰ্ষণ বুলি ক'ব নোৱাৰি। কেৰালাৰ সন্তোষ কুমাৰ এন পিক ধৰ্ষণ আৰু প্ৰতাৰণাৰ অভিযোগৰ পৰা মুক্ত কৰাৰ সময়ত এই পৰ্যবেক্ষণ আগবঢ়ায় আদালতে। অৱশ্যে আৰম্ভণিৰ পৰাই প্ৰতাৰণা বা জোৰ-জবৰদস্তিৰে সন্মতি আদায় কৰা ঘটনাক পৃথকভাৱে বিবেচনা কৰিব লাগিব।



NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:৪০

নতুন দিল্লী, ৩০ অক্টোবৰ: পাৰস্পৰিক সন্মতিত গঢ়ি উঠা সম্পৰ্ক ভাঙি যোৱাৰ পিছত পূৰ্বৰ শাৰীৰিক সম্পৰ্কক কেৱল সেই কাৰণতে ধৰ্ষণ বুলি অভিহিত কৰিব নোৱাৰি। শুকুৰবাৰে এক গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণত এই কথা প্ৰকাশ কৰিছে উচ্চতম ন্যায়ালয়ে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/111

অসম

জুবিনৰ মৃত্যুৰ গোচৰত অমৃতপ্ৰভাৰ জামিনক প্ৰত্যাহ্বান! উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ অসম চৰকাৰ



পঢ়ক: https://newznow.in/news/103

আন্তঃৰাষ্ট্ৰীয়

ইজৰাইলৰ নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা হেৰুৱালে নেতানিয়াহুৰ মিত্ৰজোঁটে, কিং মেকাৰ 'আৰব দল'



পঢ়ক: https://newznow.in/news/99

দেশ

জীৱনৰ অন্তিম মুহূর্তলৈকে দেশবাসীৰ সেৱা কৰি যাম: গুজৰাটত প্ৰধানমন্ত্ৰী মোদী



পঢ়ক: https://newznow.in/news/113

ৰাজনীতি

বৰষুণৰ বাবে পিছুৱালে জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে INDIA মিত্ৰজোঁটৰ 'জনতাৰ মহাভিযোগ' কাৰ্যসূচী



পঢ়ক: https://newznow.in/news/98

ভিতৰৰ পাতত

অসম: আজি অসমৰ ইতিহাসৰ অন্যতম ক'লা দিন ৩...

আন্তঃৰাষ্ট্ৰীয়: আমেৰিকাৰ হেঁচাৰ পিছতো ৰাছিয়াৰ তেল...

উত্তৰ-পূৰ্বাঞ্চল: ধুবুৰীত আটক ৩৬জন সন্দেহযুক্ত বাংলা...

দেশ: ভূটানত হিমবাহৰ হ্ৰদত বিস্ফোৰণ, সংক...

আজিৰ গুৰুত্বপূৰ্ণ খবৰ

আজি অসমৰ ইতিহাসৰ অন্যতম ক'লা দিন ৩০ অক্টোবৰ !১৮ সংখ্যক বৰ্ষপূৰ্তিত উকা হৈ ৰ'ল গণেশগুৰিৰ স্মৃতিসৌধ

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৪:৪৬



গুৱাহাটী, ৩০ অক্টোবৰ: আজি অসমৰ ইতিহাসৰ অন্যতম ক'লা দিন ৩০ অক্টোবৰ। ২০০৮ চনৰ আজিৰ দিনটোতে ধাৰাবাহিক বোমা বিস্ফোৰণে কঁপাই তুলিছিল সমগ্ৰ অসম। সেই ভয়ংকৰ বিস্ফোৰণত প্ৰাণ হেৰুৱাইছিল ৮৮গৰাকী নিৰীহ লোকে। আহত হৈছিল পাঁচ শতাধিক লোক।

কিন্তু ১৮ বছৰ পাৰ হোৱাৰ পিছতো সেই বিভীষিকাময় দিনটোৰ স্মৃতি বহন কৰি থকা গণেশগুৰিৰ স্মৃতিসৌধত আজি দেখা নগ'ল কোনো বিশেষ স্মৃতিচাৰণৰ আয়োজন।

এটা সময়ত যি স্থানত নিহতসকলক শ্ৰদ্ধাৰে স্মৰণ কৰা হৈছিল, আজি সেই স্থানতেই দেখা গ'ল এক নীৰৱ পৰিৱেশ। এই দৃশ্যই স্বাভাৱিকতেই প্ৰশ্ন উত্থাপন কৰিছে - ৮৮গৰাকী নিৰীহ লোকৰ মৃত্যুৰ স্মৃতি বহন কৰা এই দিনটো চৰকাৰৰ বাবে ক্ৰমান্বয়ে গুৰুত্বহীন হৈ পৰিছে নেকি ?

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/102

ধুবুৰীত আটক ৩৬জন সন্দেহযুক্ত বাংলাদেশী নাগৰিক! কৰিছিল চেন্নাইলৈ যোৱাৰ পৰিকল্পনা

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৫:৫৩



ধুবুৰী, ৩০ অক্টোবৰ: ধুবুৰী জিলাৰ যোগমায়া ফেৰীঘাটত আৰক্ষীৰ এক বিশেষ অভিযানত ৩৬জন সন্দেহযুক্ত বাংলাদেশী নাগৰিকক আটক কৰা হৈছে। গোপন তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত হাতশিঙিমাৰীৰ পৰা যন্ত্ৰ চালিত নাওৰে আহি ধুবুৰীত উপস্থিত হোৱা দলটোক ঘাটত নমাৰ লগে লগে আটক কৰে আৰক্ষীয়ে। অভিযানৰ তথ্য ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক দেৱাশিস বৰুৱাই ৰাজহুৱা কৰিছে।

আৰক্ষীয়ে জনোৱা মতে, নাওখনত প্ৰায় ১২০জন যাত্ৰী আছিল। পৰীক্ষা-নিৰীক্ষাৰ অন্তত ৩৬জনক চিনাক্ত কৰি আটক কৰা হয়। আটাইকেইজন পুৰুষ আৰু তেওঁলোকৰ বয়স ৩০ৰ পৰা ৫০ বছৰৰ ভিতৰত। তেওঁলোকৰ পৰা নথি-পত্ৰ আৰু ম'বাইল ফোনো উদ্ধাৰ কৰা হৈছে।

আটক কৰা লোককেইজনক ধুবুৰী আৰক্ষী ৰিজাৰ্ভলৈ লৈ গৈ জেৰা চলোৱা হৈছে। আৰক্ষীৰ মতে, প্ৰাথমিক পৰীক্ষাত তেওঁলোক বাংলাদেশৰ নাগৰিক বুলি সন্দেহ কৰা হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/104

আমেৰিকাৰ হেঁচাৰ পিছতো ৰাছিয়াৰ তেল শোধনাগাৰত ইউক্ৰেইনৰ ড্ৰ'ন আক্ৰমণ, দুসপ্তাহৰ বিৰতিৰ অন্ত

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৪:০৪



মস্কো/কিয়েভ, ৩০ অক্টোবৰ: ৰাছিয়াৰ তেল উদ্যোগক লক্ষ্য কৰি পুনৰ ড্ৰ'ন আক্ৰমণ চলালে ইউক্ৰেইনে। শুকুৰবাৰে পুৱতি নিশা ৰাছিয়াৰ ছামাৰা অঞ্চলৰ নোভ'কুইবিছেভস্ক তেল শোধনাগাৰত আক্ৰমণ সংঘটিত হয়। আক্ৰমণৰ পিছত শোধনাগাৰটোত জুই লগাৰ খবৰ প্ৰকাশ পাইছে।

এই আক্ৰমণৰ জৰিয়তে ৰাছিয়াৰ তেল শোধনাগাৰসমূহক লক্ষ্য কৰি চলোৱা অভিযানত প্ৰায় দুসপ্তাহৰ অনানুষ্ঠানিক বিৰতিৰ অন্ত পৰিল। প্ৰকাশিত প্ৰতিবেদন অনুসৰি, অক্টোবৰৰ মাজভাগত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ প্ৰশাসনৰ

হেঁচাৰ পিছত ইউক্রেইনৰ দীর্ঘ দূৰত্বৰ আক্রমণকাৰী সামৰিক গোটসমূহে ৰাছিয়াৰ শোধনাগাৰত আক্রমণ সাময়িকভাৱে বন্ধ ৰাখিছিল।

নোভ'কুইবিছেভস্ক শোধনাগাৰটো ৰাছিয়াৰ ৰাষ্ট্রনিয়ন্ত্রিত তেল কোম্পানী Rosneftৰ মালিকানাধীন।

সম্পূর্ণ খবৰ:
https://newznow.in/news/101

ভূটানত হিমবাহৰ হ্রদত বিস্ফোৰণ, সংকোশ নৈৰ লগতে নামনি অসমত সতর্কবাণী জাৰি

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, নিশা ১২:২৪



গুৱাহাটী, ৩০ অক্টোবৰ: চুবুৰীয়া ৰাষ্ট্র ভূটানত এটা হিমবাহৰ হ্রদৰ পানী ওফন্দি ওলাই অহাৰ খবৰে সংকোশ নৈৰ নামনি অঞ্চলত সম্ভাব্য বানক লৈ উদ্বেগ সৃষ্টি কৰিছে। পশ্চিমবংগৰ আলিপুৰদুৱাৰ জিলাৰ সংকোশ নৈৰ পাৰৰ বাসিন্দাসকলক সতর্ক কৰি নিৰাপদ স্থানলৈ যোৱাৰ আহ্বান জনোৱা হৈছে। ভূটানৰ পৰা বৈ অহা নৈসমূহৰ পানীৰ প্রবাহৰ ওপৰত নির্ভৰশীল অসমৰ বাবেও এনে ঘটনাই আগতীয়া সতর্কতা আৰু নৈৰ পানীৰ স্তৰ নিৰীক্ষণৰ গুৰুত্ব পুনৰ উত্থাপন কৰিছে।

প্রকাশিত প্রতিবেদন অনুসৰি, বৃহস্পতিবাৰে সন্ধিয়া ভূটানৰ গাছা জিলাৰ লায়া অঞ্চলত ৰাকিলা পর্বতৰ তলত অৱস্থিত চিন্তাফু হ্রদত পানী ওফন্দি ওলাই অহাৰ খবৰ পোৱা যায়। ঘটনাৰ পাছতে নৈৰ পাৰৰ বাসিন্দাসকলক সতর্ক কৰিবলৈ ছাইৰেন বজোৱা হয়।

সম্পূর্ণ খবৰ:
https://newznow.in/news/95

উত্তৰাখণ্ডত হেলিকপ্টাৰ দুর্ঘটনাত ছয়জনৰ মৃত্যু, পাইলটসহ সকলো আৰোহীৰ মৃত্যুৰ নিশ্চিতকৰণ

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:০৭



ডেৰাডুন, ৩০ অক্টোবৰ: উত্তৰাখণ্ডৰ চামোলী জিলাৰ যোশীমঠৰ সমীপত সংঘটিত ভয়াৱহ হেলিকপ্টাৰ দুর্ঘটনাত পাইলটসহ ছয়গৰাকী লোকৰ মৃত্যু হৈছে। দুর্ঘটনাগ্রস্ত হেলিকপ্টাৰখনৰ ধ্বংসাৱশেষ উদ্ধাৰৰ পিছত সকলো আৰোহীৰ মৃত্যুৰ খবৰ নিশ্চিত কৰা হৈছে।


জানিব পৰা মতে, Trans Bharat Aviationৰ VT-HCX নম্বৰৰ হেলিকপ্টাৰখনে শুকুৰবাৰে দিনৰ প্রায় ১ বাজি ১৪ মিনিটত বদ্রীনাথৰ পৰা ডেৰাডুনৰ ছাহাস্ত্রধাৰাৰ অভিমুখে উৰা মাৰিছিল। যোশীমঠ উপত্যকাৰ ওপৰেৰে উৰি যোৱাৰ সময়তে হেলিকপ্টাৰখনৰ সৈতে যোগাযোগ বিচ্ছিন্ন হয়। ইয়াৰ পিছতে বিমানখনৰ অৱস্থান নির্ণয় কৰিব পৰা হোৱা নাছিল।

পৰৱর্তী সময়ত চামোলী জিলাৰ চায়ী গাঁৱৰ সমীপত হেলিকপ্টাৰখন দুর্ঘটনাগ্রস্ত হোৱা বুলি জানিব পৰা যায়।

সম্পূর্ণ খবৰ:
https://newznow.in/news/97

মোক আঁতৰাবলৈ BJPৰ একাংশ নেতাই ষড়যন্ত্র কৰিছিল: এন বীৰেন সিং

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, নিশা ৭:১৬



ইম্ফল, ৩০ অক্টোবৰ: মণিপুৰৰ প্রাক্তন মুখ্যমন্ত্রী তথা BJP নেতা এন বীৰেন সিঙে ৰাজ্যিক BJPৰ একাংশ নেতাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁক মুখ্যমন্ত্রীৰ পদৰ পৰা আঁতৰাবলৈ কংগ্রেছৰ সৈতে মিলি দলৰ একাংশ নেতাই ষড়যন্ত্র ৰচিছিল বুলি দাবী কৰিছে বীৰেন সিঙে। একে সময়তে ২০২৫ চনৰ ফেব্রুৱাৰীত তেওঁ পদত্যাগ কৰাৰ পিছতো ৰাজ্যখনত হিংসা অব্যাহত থকাক লৈ প্রশ্ন উত্থাপন কৰিছে প্রাক্তন


মুখ্যমন্ত্রীগৰাকীয়ে।

PTIক দিয়া এক বিশেষ সাক্ষাৎকাৰত বীৰেন সিঙে কয় যে অহা বছৰৰ আৰম্ভণিতে অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পূৰ্বে BJP চৰকাৰে জনতাৰ হেৰুৱা আস্থা আৰু বিশ্বাস পুনৰ ঘূৰাই আনিবলৈ জৰুৰী পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/115

২০২৭ত BJP জিকিলে উত্তৰ প্ৰদেশত UCC বলৱৎ কৰিম: অমিত শ্বাহ

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, নিশা ৭:০৮



লক্ষ্ণৌ, ৩০ অক্টোবৰ: ২০২৭ চনৰ উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনত BJP পুনৰ ক্ষমতালৈ আহিলে ৰাজ্যখনত Uniform Civil Code (UCC) বলৱৎ কৰা হ'ব। শুকুৰবাৰে লক্ষ্ণৌত BJPৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত এই ঘোষণা কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে।

বৈঠকত দলীয় নেতা-কৰ্মীসকলক সম্বোধন কৰি শ্বাহে কয়, "এইবাৰ চৰকাৰ গঠন হ'লে উত্তৰ প্ৰদেশত UCC বলৱৎ কৰা হ'ব। বহু ৰাজ্যত ইতিমধ্যে UCC বলৱৎ কৰা হৈছে। আপোনালোকে উত্তৰ প্ৰদেশত BJPৰ চৰকাৰ গঠন কৰক, আমি ইয়াত UCC বলৱৎ কৰিম।"

আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে অনুষ্ঠিত এই বৈঠকত শ্বাহে BJP পুনৰ চৰকাৰ গঠন কৰিব বুলি আত্মবিশ্বাস প্ৰকাশ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/114

হত্যাকাণ্ডৰ গোচৰত বাহুৱলী বিধায়ক অনন্ত সিঙৰ জামিন বাতিল , ১ ডিচেম্বৰৰ ভিতৰত আত্মসমৰ্পণৰ নিৰ্দেশ

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:৫৫



নতুন দিল্লী, ৩০ অক্টোবৰ: বিহাৰৰ প্ৰাক্তন JD(U) বিধায়ক অনন্ত সিঙৰ জামিন বাতিল কৰিছে উচ্চতম ন্যায়ালয়ে। ডুলাৰচান্দ যাদৱ হত্যাকাণ্ডৰ গোচৰত ১ ডিচেম্বৰৰ ভিতৰত কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ মকামাৰ বিধায়কগৰাকীক নিৰ্দেশ দিছে শীৰ্ষ আদালতে।

ন্যায়াধীশ এম এম সুন্দ্ৰেশ আৰু ন্যায়াধীশ প্ৰসন্ন বি বৰালেৰে গঠিত বিচাৰপীঠে শুকুৰবাৰে এই নিৰ্দেশ দিয়ে। একে সময়তে বিহাৰ আৰক্ষীক হত্যাকাণ্ডৰ তদন্ত পৰৱৰ্তী চাৰি মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে আদালতে। চাৰি মাহৰ পিছত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

ডুলাৰচান্দ যাদৱৰ নাতি নীৰজ কুমাৰে পাটনা উচ্চ ন্যায়ালয়ৰ জামিনৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/112

বৰ্ণাঢ্য কাৰ্যসূচীৰে বাক্সা জিলাৰ ২৩সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন, মুছলপুৰত উখল-মাখল পৰিৱেশ

নিৰেণ কুমাৰ শৰ্মা | ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:১০



মুছলপুৰ, ৩০ অক্টোবৰ: আজি বাক্সা জিলাৰ ২৩সংখ্যক জিলা দিৱস। এই উপলক্ষে বাক্সা জিলা প্ৰশাসনৰ উদ্যোগত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে জিলা দিৱস উদযাপন কৰা হৈছে।

'সুস্থ বাক্সা' শীৰ্ষক সমদলেৰে আৰম্ভ হয় জিলা দিৱসৰ কাৰ্যসূচী। ইয়াৰ পিছতে স্বাক্ষৰ অভিযান, বৃক্ষৰোপণ আৰু বিভিন্ন বিভাগৰ বিপনী স্থাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে

বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান আৰু বঁটা বিতৰণী কাৰ্যসূচীৰে সামৰণি পৰিব জিলা দিৱসৰ উদযাপন।

উল্লেখ্য যে, ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত বিটিচি চুক্তিৰ আধাৰত বাক্সা জিলা গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত ৩০ অক্টোবৰৰ দিনটোত বাক্সাক জিলা হিচাপে ঘোষণা কৰা হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/107

পদোন্নতি আৰু বদলিৰ দাবীত লংকা মহাবিদ্যালয়ত শিক্ষকসকলৰ অৱস্থান ধৰ্মঘট

মনোজ কুমাৰ পাঠক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:০২



লংকা, ৩০ অক্টোবৰ: কলেজ শিক্ষকসকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীত লংকা মহাবিদ্যালয়ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে মহাবিদ্যালয়খনৰ শিক্ষক গোটে।

অসম কলেজ শিক্ষক সংস্থাই ৰাজ্যজুৰি আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে লংকা মহাবিদ্যালয়তো এই অৱস্থান ধৰ্মঘট পালন কৰা হয়।

শিক্ষকসকলৰ পদোন্নতি নিৰ্ধাৰিত সময়ত প্ৰদান কৰা, মিউচুৱেল ট্ৰেন্সফাৰৰ ব্যৱস্থা কৰা আদি বিভিন্ন দাবী উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰে শিক্ষকসকলে।

শিক্ষকসকলৰ অভিযোগ, দীৰ্ঘদিন ধৰি তেওঁলোকৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। সেয়েহে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি দাবীসমূহ শীঘ্ৰে কাৰ্যকৰী কৰাৰ আহ্বান জনায় প্ৰতিবাদকাৰী শিক্ষকসকলে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/106

ৰঙিয়াৰ ৰৱলীয়া নৈত অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ, অঞ্চলজুৰি চাঞ্চল্য

মইনুল হক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৫:৫৭



ৰঙিয়া, ৩০ অক্টোবৰ: ৰঙিয়াৰ ৰৱলীয়া নৈত উদ্ধাৰ হৈছে এগৰাকী অচিনাক্ত পুৰুষৰ মৃতদেহ। নৈৰ পানীত মৃতদেহটো উপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰাৰ পিছতে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়।

স্থানীয় ৰাইজে নৈৰ পানীত মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে।

বৰ্তমানলৈকে মৃত লোকজনৰ পৰিচয় জানিব পৰা হোৱা নাই। একেদৰে তেওঁৰ মৃত্যুৰ প্ৰকৃত কাৰণো স্পষ্ট হোৱা নাই।

এয়া আত্মহত্যা, দুৰ্ঘটনা নে আন কোনো কাৰণত মৃত্যু হৈছে, সেই সন্দৰ্ভত এতিয়াও নিশ্চিত তথ্য পোৱা হোৱা নাই। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু আৰক্ষীৰ তদন্তৰ পিছতহে লোকজনৰ মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/105

বিৰোধীয়ে সাৰ আৰু LPGৰ নাটনিৰ উৰাবাতৰি বিয়পোৱাৰ অভিযোগ প্ৰধানমন্ত্ৰী মোদীৰ

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:০১



গুজৰাট, ৩০ অক্টোবৰ: পশ্চিম এছিয়াৰ সংঘাতক কেন্দ্ৰ কৰি দেশত সাৰ আৰু ৰন্ধন গেছৰ নাটনিৰ উৰাবাতৰি বিয়পাই জনসাধাৰণৰ মাজত আতংকৰ সৃষ্টি কৰাৰ অভিযোগ বিৰোধী দলসমূহৰ বিৰুদ্ধে উত্থাপন কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। শুকুৰবাৰে গুজৰাটৰ বনাসকণ্ঠাত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ অনিশ্চয়তাৰ মাজতে একাংশ ৰাজনৈতিক প্ৰতিপক্ষই

কৃষক আৰু সাধাৰণ ৰাইজক বিভ্ৰান্ত কৰাৰ চেষ্টা চলাইছে।

মোদীয়ে দাবী কৰে যে, সাৰৰ নাটনি হ'ব বুলি প্ৰচাৰ চলোৱাৰ ফলত কৃষকসকলৰ মাজত উদ্বেগ সৃষ্টি হৈছে আৰু ৰন্ধন গেছৰ যোগানক লৈ বিয়পোৱা ভুল তথ্যই মহিলাসকলক চিন্তিত কৰি তুলিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/96

ৰাজ্যিক বিজেপি মহিলা মৰ্চাৰ নতুন সভানেত্ৰী পূৰবী ৰয়ৰ দায়িত্ব গ্ৰহণ

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:১৯



গুৱাহাটী, ৩০ অক্টোবৰ: ভাৰতীয় জনতা পার্টি (BJP) অসম প্ৰদেশ মহিলা মৰ্চাৰ নৱনিযুক্ত সভানেত্ৰী শ্ৰীমতী পূৰবী ৰয়ে আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে। গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত এক আধ্যাত্মিক আৰু মাংগলিক পৰিৱেশত অনুষ্ঠিত হয় এই দায়িত্ব গ্ৰহণ অনুষ্ঠান।

অনুষ্ঠানৰ আৰম্ভণিতে ভক্ত-বৈষ্ণৱৰ উপস্থিতিত ভগৱানৰ নাম-কীৰ্তনেৰে কার্যালয়ৰ পৰিৱেশ মুখৰিত হৈ পৰে। ইয়াৰ পিছতে বিজেপি অসম প্ৰদেশ মহিলা মৰ্চাৰ প্ৰাক্তন সভানেত্ৰী তথা অসম চৰকাৰৰ মন্ত্ৰী নীলিমা দেৱীয়ে নৱনিযুক্ত সভানেত্ৰী পূৰবী ৰয়ক আনুষ্ঠানিকভাৱে দায়িত্বভাৰ অর্পণ কৰে।

দায়িত্ব অর্পণ কৰি নীলিমা দেৱীয়ে কয় যে ভাৰতীয় জনতা পার্টিত কোনো দায়িত্ব স্থায়ী নহয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/109

৮০০ টকা ন্যূনতম মজুৰিৰ দাবীত ২ নৱেম্বৰত ৰাজ্যজুৰি শ্ৰমিকৰ প্ৰতিবাদ, অচল কৰিব শ্ৰম বিভাগৰ কার্যালয়!

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:১৩



গুৱাহাটী, ৩০ অক্টোবৰ: অসমৰ শ্ৰমিকসকলৰ ন্যূনতম মজুৰি আৰু সামাজিক সুৰক্ষাৰ দাবীত অহা ২ নৱেম্বৰত ৰাজ্যজুৰি প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰিব চি আই টি ইউ (CITU) নেতৃত্বাধীন শ্ৰমিক সংগঠনসমূহে। ৰাজ্যৰ প্ৰতিখন জিলাৰ শ্ৰম বিভাগৰ কার্যালয়ৰ সন্মুখত পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ অৱস্থান ধর্মঘট পালন কৰাৰ ঘোষণা কৰিছে সংগঠনসমূহে।

বিজেপি চৰকাৰ আৰু শ্ৰম বিভাগৰ শ্ৰমিকবিৰোধী নীতিৰ বিৰুদ্ধে এই প্ৰতিবাদী কার্যসূচী গ্ৰহণ কৰা বুলি এক বিবৃতিত উল্লেখ কৰিছে CITUয়ে। সংগঠনটোৰ অভিযোগ, অসমত কর্মৰত প্ৰায় ২৩ লাখ শ্ৰমিকক বিগত ৭২ মাহ ধৰি আইনসংগতভাৱে পাবলগীয়া ন্যূনতম মজুৰিৰ পৰা বঞ্চিত কৰি ৰখা হৈছে।

শ্ৰমিক সংগঠনসমূহে দৈনিক ন্যূনতম মজুৰি ৮০০ টকা নির্ধাৰণ কৰি চৰকাৰী জাননী প্ৰকাশ কৰা, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৬৬১ টকা কৰা আৰু অ...

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/108

ফিলিপছৰ শতক, ডাফিৰ ৪ উইকেট! নিউজিলেণ্ডৰ হাতত ভাৰতৰ ৮৭ ৰানৰ পৰাজয়

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, আবেলি ৬:২৯



অকলেণ্ড, ৩০ অক্টোবৰ: গ্লেন ফিলিপছৰ বিস্ফোৰক শতক আৰু জেকব ডাফিৰ দুর্দান্ত বলিঙৰ সহায়ত চতুর্থ T20 আন্তঃৰাষ্ট্ৰীয়

মেচত ভাৰতক ৮৭ ৰানত পৰাস্ত কৰিলে নিউজিলেণ্ডে। অকলেণ্ডৰ Eden Parkত অনুষ্ঠিত মেচখনত প্ৰথমে বেটিং কৰি নিউজিলেণ্ডে ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৭২ ৰানহে কৰিবলৈ সক্ষম হয়।

টছত জয়ী হৈ ভাৰতীয় অধিনায়ক শ্ৰেয়স আয়াৰে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছিল। নিউজিলেণ্ডৰ হৈ গ্লেন ফিলিপছে মাত্ৰ ৪৯টা বলত ১০৭ ৰানৰ বিধ্বংসী ইনিংছ খেলে। তেওঁৰ ইনিংছত আছিল ৬টা চাৰি আৰু ১০টা ছয়।

আনহাতে, মাইকেল ব্ৰেচৱেলে মাত্ৰ ২৫টা বলত ৬৫ ৰান সংগ্ৰহ কৰে। ফিলিপছ আৰু ব্ৰেচৱেলৰ মাজত পঞ্চম উইকেটত ৪১টা বলত ১১৫ ৰানৰ দ্ৰুত অংশীদাৰিত্ব গঢ়ি উঠে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/110

পাঁচবাৰৰ চেম্পিয়ন ৰোহিতৰ হাতলৈ ঘূৰিব নেকি Mumbai Indiansৰ নেতৃত্ব? IPL ২০২৭ৰ পূৰ্বে হাৰ্দিকক লৈ চৰ্চা তুংগত

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:৫২



IPL ২০২৭ৰ পূৰ্বে Mumbai Indiansৰ অধিনায়কত্বক লৈ নতুন সমীকৰণৰ সৃষ্টি হৈছে। পুনৰ দলটোৰ নেতৃত্বৰ দায়িত্ব ৰোহিত শৰ্মাৰ হাতলৈ যোৱাৰ সম্ভাৱনাই ক্ৰিকেট মহলত ব্যাপক চৰ্চা লাভ কৰিছে। আনহাতে, বৰ্তমানৰ অধিনায়ক হাৰ্দিক পাণ্ডিয়াৰ ভৱিষ্যতক লৈও প্ৰশ্ন উত্থাপন হৈছে।

যোৱা ছিজনত হাৰ্দিক পাণ্ডিয়াৰ নেতৃত্বত Mumbai Indiansৰ প্ৰদৰ্শন আছিল হতাশাজনক। ১৪খন খেলৰ ভিতৰত ১০খনতে পৰাজয়ৰ সন্মুখীন হোৱা দলটোৱে পইণ্ট তালিকাৰ নৱম স্থানত ছিজন সামৰিছিল। ফলত দলটোৰ IPL খিতাপ জয়ৰ অপেক্ষা ছয় বছৰলৈ বৃদ্ধি পায়।

ইয়াৰ বিপৰীতে, ৰোহিত শৰ্মাৰ অধিনায়কত্বত Mumbai Indiansে পাঁচবাৰ IPL খিতাপ জয় কৰিছে। ২০১৩, ২০১৫, ২০১৭, ২০১৯ আৰু ২০২০ চনত দলটোক চেম্পিয়ন কৰাইছিল ৰোহিতে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/100

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।